জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ৩০১/২০২১*

গহপুৰৰ বৰঙাবাৰীস্থিত শ্বহীদ কনকলতা বৰুৱাৰ বাসগৃহত উপস্থিত হৈ শ্বহীদগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

শ্বহীদ মুকুন্দ কাকতি আৰু মুক্তিযোদ্ধা ৰমাপতি ৰাজখোৱাৰ পৰিয়ালকো সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীয়ে

# গহপুৰ সমষ্টিত ৯৯৯.৯৪ লাখ টকাৰ ব্যয়েৰে নিৰ্মাণ কৰা দুটা পথ শ্বহীদ মুকুন্দ কাকতি আৰু শ্বহীদ কনকলতা বৰুৱাৰ নামত উৎসৰ্গা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ গহপুৰৰ বৰঙাবাৰীস্থিত শ্বহীদ কনকলতা বৰুৱাৰ বাসগৃহত উপস্থিত হৈ শ্বহীদগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শ্বহীদগৰাকীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ শ্বহীদ কনকলতাৰ কনিষ্ঠ ভাতৃ কালিচৰণ বৰুৱাৰ লগতে শ্বহীগৰাকীৰ পৰিয়ালৰ উত্তৰসূৰীসকলৰ সৈতেও কিছু সময় বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰীয়ে পৰিয়ালটোৰ অভাৱ-অভিযোগসমূহ বুজ লোৱাৰ লগতে সেইসমূহ নিৰাময়ৰ বাবে চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মাতৃভূমিৰ কাৰণে সৰ্বোচ্চ ত্যাগ স্বীকাৰ কৰা শ্বহীদ কনকলতা বৰুৱাৰ দেশপ্ৰেমৰ আদৰ্শই ৰাজ্যবাসীক সদায়েই অনুপ্ৰেৰণা যোগাই যাব বুলি মুখ্যমন্ত্ৰীয়ে মত ব্যক্ত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি দেশৰ স্বাধীনতা সংগ্ৰামৰ শ্বহীদ মুকুন্দ কাকতি আৰু মুক্তিযোদ্ধা ৰমাপতি ৰাজখোৱাৰ পৰিয়ালৰ সদস্যসকলকো সাক্ষাৎ কৰি তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে শ্বহীদ মুকুন্দ কাকতিৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে গহপুৰ সমষ্টিত ৯৯৯.৯৪ লাখ টকাৰ ব্যয়েৰে নিৰ্মাণ কৰা দুটা পথ শ্বহীদ মুকুন্দ কাকতি আৰু শ্বহীদ কনকলতা বৰুৱাৰ নামত উৎসৰ্গা কৰে। ২০১৯-২০ বৰ্ষৰ বাবে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন আঁচনিৰ অধীনত এই পথ দুটা নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই গহপুৰ মহকুমা অসামৰিক চিকিৎসালয়খন আধুনিক চিকিৎসা সুবিধা উপলব্ধ কৰাৰ লগতে চিকিৎসালয়খনৰ বিচনাৰ সংখ্যা বৃদ্ধি কৰা হ'ব বুলিও আজি ঘোষণা কৰে।

উপৰিউক্ত কাৰ্যসূচীসমূহত সাংসদ পল্লৱ লোচন দাস, বিধায়ক ৰঞ্জিত দত্ত, প্ৰমোদ বৰঠাকুৰ আৰু উৎপল বৰাও মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে।

***সুঃদঃ***

**২৯-৯-২০২১**